# বিষাদ যোগ

## ('কথাগীতা'ৰ পৰা)

**শ্ৰীভট্টদেৱ**

ধৃতৰাষ্ট্ৰে সঞ্জয়ত প্ৰশ্ন কৰন্ত—"হে সঞ্জয়, মোৰ পুত্ৰসব পাণ্ডুপুত্ৰসব ধৰ্ম্মভূমি কুৰুক্ষেত্ৰত যুদ্ধ ইছাই মিলিত হুয়া কি কৰ্ম্ম কৰিলা—আত মোক কহা।"

সঞ্জয়ে কহন্ত—"জানা ৰাজা পাণ্ডৱৰ সেনাসব বেহুৰূপে ৰহিবাৰ দেখি তোমাৰ পুত্ৰ দুৰ্যোধন দ্ৰোণাচাৰ্য্য সমীপক যায়া বুলিবে লাগিলা—'হে আচাৰ্য্য, পাণ্ডৱসবৰ বিস্তৰ সেনা দেখা; দ্ৰুপদৰ পুত্ৰ শিষ্য ধৃষ্টদ্যুম্নে বেহ পাতি আছে। ভীমাৰ্জ্জুনসম মহা ধনুৰ্দ্ধৰসৱো আছে । তাৰ নাম শুনা—সাত্যকি, বিৰাট, চেকিতান, কাশীৰাজ, পুৰুজিত, কুন্তীভোজ, যুধামন্যু, দ্ৰৌপদীৰ পাঁচ পুত্ৰ, প্ৰতিবিন্ধ্যাদি; আৰা সৱে মহাৰথী। তাৰ লক্ষণ শুনা—যি একে দশ সহস্ৰ ধানুকীক যুঝৱৈ তাক মহাৰথী বুলি। আমাৰ সৈন্যৰ যি যি বিশিষ্ট সেনাপতিসব তাক কহো, তুমি সাৱধানে শুনা। গুৰু দ্ৰোণ, ভীষ্ম পিতামহ, কৰ্ণ মহাৰথী, কৃপ অগ্ৰগণী, অশ্বত্থামা, বিকৰ্ণ, সোমদত্ত পুত্ৰ ভূৰিশ্ৰবা। আনো বিস্তৰ বীৰসব মোৰ অৰ্থে প্ৰাণকে এড়িবে ইছা কৰিছে। সৱে নানা অস্ত্ৰত নিপুণ, সৱে যুদ্ধত বিশাৰদ। এহি বীৰসব যুক্ত হুইতেও, ভীষ্ম সেনাপতি সৰ্ব্বত্ৰভাৱে ৰাখিতেও আমাৰ একাদশ অক্ষৌহিণী সেনায়ো পাণ্ডৱসমে যুঝিয়ে সমৰ্থ হেন প্ৰকাশ নকৰিলা। ই সাত অক্ষৌহিণী পাণ্ডৱসেনা ভীমমাত্ৰ ৰক্ষিতে হুয়ো আমাক যুঝিবে সামৰ্থ হেন প্ৰকাশ কৰে। এতেকে তোৰাসৱে সাৱধানে যুদ্ধভূমিত থাকি ভীষ্মক ভালমতে ৰক্ষা কৰিবা। সমুখে যুঝিতে কেহো যেন পাছত প্ৰহাৰ নকৰে। ভীষ্মক জীৱনে আমাৰ জীৱন।' এমনে বহুমানযুক্ত বচন ৰাজাৰ শুনি মহাপ্ৰতাপী কুৰুবীৰ ভীষ্মে ৰাজাক হৰিষ কৰিতে সৰ্ব্ব প্ৰাণীৰ ভয়ঙ্কৰ সিংহ সদৃশ মহানাদ কৰিলা, উচ্চ কৰি শঙ্খ বজাইলা। এমনে সেনাপতি ভীষ্মৰ যুদ্ধোৎসৱ দেখি সকল ঠাইতে শঙ্খ, ভেৰী, আনক, গোমুখ আদি নানা বাদ্য বজাইলা; তাৰ মহাশব্দ ভৈল।"

"আবে পাণ্ডৱসৱৰ যুদ্ধোৎসৱ শুনা। শুক্লবৰ্ণ চাৰি হয়, মহাৰথত উঠি কৃষ্ণাৰ্জ্জুনে দিব্য শঙ্খ বাইলা তাৰ নাম শুনা। কৃষ্ণে পাঞ্চজন্য শঙ্খ ফুঙ্কিলা। অৰ্জ্জুনে দেৱদত্ত শঙ্খ ফুঙ্কিলা। পৌণ্ড্ৰক নাম মহাশঙ্খ ভীমে ফুঙ্কিলা। অনন্ত নাম মহাশঙ্খ যুধিষ্ঠিৰে বজাইলা। নকুলে সুঘোষ নামে শঙ্খ বাইলা। সহদেৱে মণিপুষ্পক ধ্বনি কৰিলা। কাশীৰাজ, সাত্যকি, ধৃষ্টদুম্ন, বিৰাট, দ্ৰুপদ, দ্ৰৌপদীৰ পাঞ্চপুত্ৰ, সুভদ্ৰাৰ পুত্ৰ অভিমন্যু আৰাসৱে পৃথকে পৃথকে শঙ্খ বাইলা। সেই শঙ্খৰ মহাশব্দ আকাশ পৃথিৱী সমে দশোদিশ পুৰি কৌৰৱ সৈন্যৰ মহাভয় জন্মাইলা, হৃদয় বিদাৰ কৰিলা।"

"পাছে কপিধ্বজ অৰ্জ্জুনে কৌৰৱ সৈন্যক যুদ্ধ সমুখ দেখি অস্ত্ৰ-বৃষ্টিয়ে পুৰিবে লাগিলা। গাণ্ডীৱ ধনু ধৰি হৃষীকেশ ভগৱন্তক এহি বাক্য বুলিলা—হে অচ্যুত, এই উভয় সেনাৰ মধ্যত মোৰ ৰথক ৰাখিও, যাৱে যুবান্তা বীৰসৱক চাঞো। বুলিবা তুমি যুঝন্তাসে যুদ্ধ চোৱা নোহা, তাত শুনা। মঞি কাৰ সমে যুদ্ধ কৰিম। দুৰ্বুদ্ধি দুৰ্যোধনৰ প্ৰীতি কৰিবাক ইছায় যি যি বীৰসৱ আসি আছে তাৰাক চাঞো, তাৱত দুই সেনাৰ মাধ্যম ৰথক ৰাখিবা।"

সঞ্জয়ে বোলন্ত—"জানা ৰাজা, অৰ্জ্জুনৰ এহি বাক্য শুনি শ্ৰীকৃষ্ণেসকল ৰাজাৰ মধ্যত ভীষ্ম, দ্ৰোণ সমুখত ৰথক ৰাখি বুলিবে লাগিলা—'হে পাৰ্থ, কুৰুবীৰসৱক চক্ষু মেলি দেখা।' তাতে অৰ্জ্জুনে পিতৃব্য, পিতামহ আচাৰ্য্য, মাতুল, ভ্ৰাতৃ, পুত্ৰ, পৌত্ৰ, সখি, শশুৰ, সুহৃদসৱক দুই সেনাত দেখিলা। সেহি সকল বন্ধুসৱ যুদ্ধক ইছাই সমুখে থাকিবাৰ দেখি পৰম কৃপায়ে ব্যাপ্ত হুয়া মহাদুঃখে শ্ৰীকৃষ্ণক বুলিলা। 'হে কৃষ্ণ, এই জ্ঞাতিসৱ যুঝিতে ইছায়ে যুদ্ধত উপস্থিত দেখি মোৰ কৰ-চৰণাদি ভাগি যায়, মুখো শুখায়, শৰীৰো কাম্পে, ৰোম শিহঁৰয়, দেখা গাণ্ডীৱ ধনু হাতৰ খসি পৰে, চৰ্ম্মো তাপ কৰে। আচোক যুঝিবে আগত ৰহিবে নপাৰো, মনো মহাভ্ৰম হয়, বিমঙ্গলসৱ দেখো। ওপৰত শগুণ ফুৰে, শৃগালো আৰাৱ কৰে। যুদ্ধত স্বজন বধে কিচো ফলক নেদেখু, বিজয়কো আকাঙ্খা নকৰু, ৰাজ্যক ইছা নাই, সুখক নবাঞ্ছো। হে গোবিন্দ; আমাৰ ৰাজ্য ভোগত কিবা প্ৰয়োজন? যি বন্ধুসৱৰ অৰ্থে আমৰা ৰাজ্যভোগ ইছা কৰি সি বন্ধুসৱ প্ৰাণত্যাগক অঙ্গীকাৰ কৰি যুদ্ধত উপস্থিত হুয়া আছে তাক শুনা। আচাৰ্য্য, পিতৃব্য, পিতামহ, মাতুল, শশুৰ, শ্যালা সম্বন্ধীসৱ। আৰা যদি আমাক মাৰে তথাপি আমি তাৰাক মাৰিতে যোগ্য নয়। ত্ৰৈলোক্য ৰাজ্যৰ অৰ্থেও নবধি, পৃথিৱীৰ পদে বধিবো, তাক কি বুলিম? হে জনাৰ্দ্দন, ধৃতৰাষ্ট্ৰৰ পুত্ৰসৱ বধিলে আমাৰ কি প্ৰীতি হৈব? যদ্যপি আৰা আমাক বিষ দিতে চাইছে, অগ্নিও দিছে, ধন সৰ্বস্ব হৰিছে, ৰাজ্যভাৰকো কাঢ়ি নিয়া আছে, ভাৰ্য্যাকো অপকাৰ কৰিছে, অস্ত্ৰ ধৰি যুঝিছে— এই ছয় দোষত আততায়ী। অৰ্থ-শাস্ত্ৰৰ মতে আততায়ীক বধিলেও দোষ নাই, তথাপি ধৰ্মশাস্ত্ৰৰ মতে আৰাক বধিলে আমাক দোষে পাইব। এতেকে ধৃতৰাষ্ট্ৰ পুত্ৰসৱ আমাৰ বান্ধৱ, তাৰাক বধিতে আমাৰ ভাল নহে, যাতো বন্ধুসৱ বধক অন্যায় অধৰ্ম দেখি। হে মাধৱ, বন্ধুসৱ বধি কেমনে ইহলোক সুখী হইবো? যদ্যপি আৰা লোভত থাকি কুলক্ষয় দোষ মিত্ৰদ্ৰোহ পাপক নেদেখে, তথাপি আমি সেই

দোষ দেখি কেনে পাপত নিবৃত্তি নহৈবো? আৰে সেহি দোষক শুনা—কুলক্ষয় হৈলে কুলধৰ্ম নষ্ট হৈব, ধৰ্ম নষ্ট ভৈলে অৱশিষ্ট কুলকো অধৰ্মে ব্যাপিব। অধৰ্মে ব্যাপিলে কুলস্ত্ৰীসৱ দুষ্টা হৈব। স্ত্ৰী দুষ্ট হৈলে বৰ্ণসঙ্কৰ হৈব, কুল নৰকগতি হৈব, তেৱে পিতৃসৱ লুপ্তপিণ্ড জলাঞ্জলিহীন হুয়া পৰিব। এহি দোষে সৱে জাতিধৰ্ম, কুলধৰ্ম, বৰ্ণাশ্ৰম ধৰ্ম নষ্ট হুয়া মনুষ্যসৱ নৰকত বাসা কৰিব। তাক আমি শ্ৰুতিত শুনিছি। অহো, কি কষ্ট। মহাপাপ কৰিতে আমি নিচয় কৰিলো। ৰাজ্যসুখ লোভে স্বজন বধিতে আমি উদ্যত ভৈলো।' এমনে মহাপাপ কৰি মৰিবে নিচয় কৰন্ত 'মঞি অস্ত্ৰ নধৰি মৌনে ৰহো। তবে দুৰ্য্যোধনাদি যদি অস্ত্ৰ ধৰি মোক বধে তেবে মোৰ মহা প্ৰিয় হয়, যাতো পাপ নিসিজিব।'"

সঞ্জয়ে কহন্ত—"জানা ৰাজা, যুদ্ধৰ সমুখত অৰ্জ্জুনে এহি বাক্য বুলি ধনুশৰ এৰি কম্পিত হৈলা, ৰথৰ উপৰত বসিলা।"

**লেখক-পৰিচয় ঃ**

**শ্ৰীভট্টদেৱ (১৫৫৮—১৬৩৮) ঃ** অসমীয়া গদ্যৰ জন্মদাতা ভট্টদেৱৰ সম্পূৰ্ণ নাম বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্য। কামৰূপ জিলাৰ বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰাম নিৱাসী চন্দ্ৰভাৰতীৰ তেওঁ দ্বিতীয় পুত্ৰ বুলি জনা যায়। পিতৃৰ নিৰ্দেশানুক্ৰমে তেওঁ শ্ৰীদামোদৰদেৱত শৰণ লয়। ভাগৱতত বিশেষ ব্যুৎপত্তি আৰু শাস্ত্ৰৰ ব্যাখ্যাত অগাধ পাণ্ডিত্যৰ কাৰণে তেওঁ পণ্ডিত সমাজৰ পৰা কবিৰত্ন আৰু ভাগৱত ভট্টাচাৰ্য উপাধি লাভ কৰে। গুৰুৰ নিৰ্দেশমতে সৰ্বসাধাৰণে বুজিব পৰাকৈ কথাত (গদ্যত) ভট্টদেৱে 'ভাগৱত পুৰাণ', 'গীতা' আৰু 'ভক্তি ৰত্নাৱলী' ৰচনা কৰে। ইয়াৰ উপৰি অসমীয়া ভাষাত 'শৰণ মালিকা', 'গুৰু বংশাৱলী', 'প্ৰসঙ্গমালা' আৰু সংস্কৃত ভাষাত 'ভক্তিসাৰ' আৰু 'ভক্তিবিৱেক' ৰচনা কৰে। ভট্টদেৱৰ পূৰ্বে কোনো উত্তৰ ভাৰতীয় ভাষাতে গদ্যত পুথি ৰচিত হোৱা নাছিল। ভট্টদেৱে অসমীয়া গদ্যত তত্ত্বগধুৰ কথা ৰচনাৰ আৰ্হি দেখুৱাই গ'ল। তেওঁৰ গদ্য অৱশ্যে বুৰঞ্জীৰ ভাষাৰ দৰে কথিত গদ্য নহয়; তেওঁ সমসাময়িক পদ্যৰ ভাষাৰ দ্বাৰা প্ৰভাৱিত হৈছিল—ছন্দৰীতিৰ কিছু লক্ষণ তেওঁৰ ভাষাত বিদ্যমান। 'বিষাদ যোগ' পাঠটি 'কথাগীতা'ৰ পৰা তুলি দিয়া হৈছে।

**পাঠবোধ ঃ**

গীতাশাস্ত্ৰ ভাৰতীয় সাহিত্যৰ উচ্চপৰ্যায়ৰ গভীৰ তত্ত্ব বিষয়ৰ এখন গ্ৰন্থ। ভট্টদেৱে অনুবাদ কৰা 'কথাগীতা'ৰ এই 'বিষাদ যোগ' অধ্যায়ত কৌৰৱ বাহিনীৰ সৈতে কুৰুক্ষেত্ৰ ৰণৰ সমুখ সমৰত উপস্থিত হৈ অৰ্জুন কেনেকৈ বিষাদগ্ৰস্ত হৈছিল, আপোন মানুহৰ সৈতে যুদ্ধ নকৰোঁ বুলি কেনেকৈ ধনুশৰ পেলাই দিছিল তাৰ আভাস আছে। অৰ্জুনৰ মনোজগতৰ অভ্যন্তৰৰ বিষাদবোধ পাঠটোৰ মূল বিষয়।

**শব্দাৰ্থ আৰু টোকা ঃ**

অগ্ৰগণী ঃ মুখ্য, প্ৰধান।

অক্ষৌহিণী ঃ এক অক্ষৌহিণীত ২১, ৮৭০ ৰথ আৰু হাতী, ৬৫,৬১০ ঘোঁৰা আৰু ১,০৯,৩৫০ পদাতিক বীৰ থাকে।

কপিধ্বজ ঃ যাৰ ধ্বজ বা পতাকাত বান্দৰৰ প্ৰতীক আছে।

জনাৰ্দ্দন ঃ দুষ্টজনক অৰ্দন বা পীড়ন কৰে কাৰণে কৃষ্ণ বা বিষ্ণুক জনাৰ্দ্দন বোলে।

জলাঞ্জলিহীন ঃ যাৰ উদ্দেশ্যে তৰ্পণ কৰা নহয়।

ধানুকী ঃ ধনুৰ্দ্ধৰ বীৰ।

নয় ঃ নহয়।

নিবৃত্তি ঃ বিৰতি।

পিতৃব্য ঃ পিতৃৰ ভাই, খুড়া, সম্পৰ্কীয় বয়সীয়া পুৰুষ।

পুৰি ঃ পূৰ্ণ কৰি।

বৰ্ণসঙ্কৰ ঃ ভিন ভিন জাতিৰ স্ত্ৰী-পুৰুষৰ মিলনত জন্মা সন্তান।

বৰ্ণাশ্ৰম ধৰ্ম ঃ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ— এই চাৰি বৰ্ণ বা জাতিৰ ব্ৰহ্মচৰ্য গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস— এই চাৰি আশ্ৰমৰ শাস্ত্ৰবিহিত ধৰ্ম।

বেহৰূপে ঃ যুদ্ধৰ কাৰণে প্ৰণালীবদ্ধৰূপে সজাই থোৱা অৱস্থা।

লুপ্তপিণ্ড ঃ যাৰ পিণ্ড লোপ হয়।

হয় ঃ ঘোঁৰা।

হৃষীকেশ ঃ ইন্দ্ৰিয়ৰ গৰাকী, ইন্দ্ৰিয়ৰ অধিপতি। জিতেন্দ্ৰিয়।

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক ঃ**

১। চম্ উত্তৰ দিয়া ঃ

(ক) মহাৰথী কাক বোলে?

(খ) কৌৰৱৰ বিশিষ্ট সেনাপতিসকলৰ নাম লিখা।

(ঘ) সেনাপতি ভীষ্মৰ যুদ্ধোৎসৱ দেখি কি কি ৰণবাদ্যৰ মহাশব্দ হৈছিল?

(ঙ) আততায়ী কাক বোলে?

(চ) কুলক্ষয় দোষ কি?

২। তোমাৰ পাঠটিত উল্লেখ কৰা অনুসৰি পাণ্ডৱসকলৰ যুদ্ধোৎসৱৰ বিষয়ে লিখা।

৩। অৰ্জুনে শ্ৰীকৃষ্ণক উভয় সেনাৰ মাজত ৰথ ৰাখিবলৈ কিয় কৈছিল?

৪। অৰ্জুনে যুদ্ধক্ষেত্ৰলৈ গৈ কাক কাক দেখা পালে আৰু তেওঁলোকক দেখা পাই শ্ৰীকৃষ্ণক কি ক'লে তোমাৰ নিজৰ কথাৰে লিখা।

৫। কুলক্ষয় দোষক কিয় মহাপাপ বোলা হৈছে আলোচনা কৰা।

৬। "জানা ৰাজা যুদ্ধৰ সন্মুখত অৰ্জুনে এহি বাক্য বুলি ধনুশৰ এৰি কম্পিত হৈলা........।"
এইদৰে কোনে কাক কৈছে? অৰ্জুনে কি বাক্য কৈ ৰথৰ ওপৰত বহি পৰিল তোমাৰ কথাৰে লিখা।

**ভাষা-বিষয়ক ঃ**

১। তলত দিয়া শব্দবোৰৰ একোটিকৈ সমাৰ্থক শব্দ লিখা ঃ
নিপুণ, সমীপ, বিস্তৰ, সহস্ৰ, সদৃশ, বাদ্য, কৰ-চৰণ, চৰ্ম, শ্ৰুতি, বিমঙ্গল, বান্ধৱ।

২। তলত দিয়া শব্দকেইটাৰ আধুনিক ৰূপ লিখা ঃ
হুয়া, কহা, চক্ষু, কৰিলা, চাএগ্রা, মঞি, বুলিলা, খাস, ফুঙ্কিলা, বাইলা, ৰহিবে, ৰহো।

৩। ভট্টদেৱৰ গদ্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

● ● ●